# মহামান্য উপ-ৰাষ্ট্ৰপতিৰ অক্তোৱৰ ২৪,২০১৩ তাৰিখৰ পৰা ২৫ নভেম্বৰ ২০১৩ তাৰিখলৈ পেৰু,কিউবা আৰু ইউ কে ভ্ৰমণ ।

অক্তোৱৰ ২৪,২০১৩

মহামান্য উপ-ৰাষ্ট্ৰপতি শ্ৰী হামিদ আনচাৰিয়ে অক্তোৱৰ ২৪, ২০১৩ তাৰিখৰ পৰা নভেম্বৰ ২৫,২০১৩ তাৰিখ লৈ পেৰু,কিউবা আৰু ইউ কে লৈ আনুষ্ঠানিক ভ্ৰমণ কৰিব ।পেৰু আৰু কিউবা লৈ উপ-ৰাষ্ট্ৰপতিৰ স্তৰত এইটো হব প্ৰথম ভ্ৰমণ ।তেওঁৰ এই যাত্ৰা কালত কেন্দ্ৰীয় মানব সম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ ৰাজ্যিক মন্ত্ৰী জীতিন প্ৰসাদ,চাৰি গৰাকী সাংসদ,জেষ্ঠ্যো বিষয়া আৰু সাংবাদিক সকলে সহযোগিতা কৰিব ।

অক্তোৱৰৰ ২৬ ,২০১৩ তাৰিখৰ পৰা ২৯ অক্তোৱৰ ২০১৩ তাৰিখ লৈ উপ-ৰাষ্ট্ৰপতি গৰাকী পেৰুত উপস্থিত থাকিব ।তেওঁৰ এই ভ্ৰমণ কালত তেওঁৰ সহকৰ্মী পেৰুৰ ৰাষ্ট্ৰপতি মহামান্য মাৰিঝোল ইস্পিনোঝা ক্ৰুজৰ সৈতে বিস্তাৰিত ভাৱে আলোচনা কৰিব ।তেওঁ বৈদেশিক বাণিজ্য মন্ত্ৰী আৰু পৰ্য্যটন মন্ত্ৰীৰ সৈতে সাক্ষাৎ কৰিব ।তেওঁ ৰাষ্ট্ৰপতি মহামান্য ওল্লান্টা হিউমালাক (Ollanta Humala)ক সাক্ষাৎ কৰিব ।উপ-ৰাষ্ট্ৰপতি গৰাকীৰ এই পেৰু ভ্ৰমণ ভাৰত আৰু পেৰুৰ মাজত কূটনৈতিক সম্বন্ধ স্থাপণৰ ৫০ বছৰ পূৰ্ণ হোৱাৰ উপলক্ষৰ সৈতে সামঞ্চ ৰাখি কাৰ্য্যকৰী কৰা হৈছে । উপ-ৰাষ্ট্ৰপতি গৰাকীয়ে এই ঐতিহাসিক সম্বন্ধক স্মৰণীয় কৰাৰ উপলক্ষে লিমাত অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধন কৰিব ।নিয়মিত ভাৱে

সকলো স্তৰত ভ্ৰমণ বিনিময়ৰ মাজেৰে আৰু দুয়োদেশৰ অৰ্থনৈতিক দিশৰ গুৰুত্বৰে ভাৰত আৰু পেৰু দেশ দুখনে সদায়েই এক বন্ধুত্ব উষ্ম সম্বন্ধ উপভোগ কৰি আহিছে ।ভাৰত আৰু পেৰুৰ ভাজত ২০১২ চনত দ্বিপাক্ষীক বাণিজ্য আছিল ১.৬৮ বিলিয়ন আমেৰিকান ডলাৰ আৰু এই বাণিজ্য সদায়েই সমান ভাৱে ভাৰসাম্য আছিল ।

কিউবাত উপ-ৰাষ্ট্ৰপতি গৰাকীয়ে তেওঁৰ সহকৰ্মী কিউবাৰ প্ৰথম গৰাকী উপ-ৰাষ্ট্ৰপতি মহামান্য শ্ৰী মিউগোৱেল দিয়াজ-কেনেল বাৰমুডেজৰ( Miguel Diaz-Canel Bermudez )সৈতে বিস্তাৰিত ভাৱে দ্বিপাক্ষীক আলোচনা কৰিব আৰু অক্তোৱৰ ৩০,২০১৩ তাৰিখে কিউবাৰ ৰাষ্ট্ৰপতি মহামান্য শ্ৰী ৰাউল কাষ্ট্ৰোক সাক্ষাৎ কৰিব ।তেওঁৰ ভ্ৰমণ কালত হাভানাত অনুষ্ঠিত হবলীয়া এখন ভাৰতীয় সাংস্কৃতি অনুষ্ঠান উদ্বোধন কৰিব ।নামৰ( NAM ) প্ৰাথমিক সদস্য দেশ হিচাপে ভাৰত আৰু কিউবাই এক ঐতিহাসিক আৰু সৌজন্যতাৰ সম্বন্ধ সদায়েই উপভোগ কৰি আহিছে ।দুয়োদেশৰ মাজত সমানে গুৰুত্ব পোৱা বিষয় সমুহৰ ক্ষেত্ৰত বহু ক্ষেত্ৰীয় মঞ্চত দুয়োখন দেশে সদায়েই এক ওচৰ সম্বন্ধ বজাই ৰাখি আহিছে ।শক্তি,বায়োটেকনোলজী আৰু খেলৰ ক্ষেত্ৰত সক্ৰিয় সহযোগিতাই দুয়ো দেশৰ মাজৰ দ্বিপাক্ষীক সম্বন্ধক চৰিত্ৰাৰ্থ কৰিছে । কিউবাৰ ই.ই.জেদত ও.ভি.এলৰ সক্ৰিয় উপস্থিতি বিৰাজমান ।

যাত্ৰাৰ শেষ অংশত ইউনাইটেড কিংড'মৰ অক্সোৰ্ফড চেন্টাৰ ফ'ৰ ইছলামিক ষ্টাডিত মহামান্য উপ-ৰাষ্ট্ৰপতি গৰাকীয়ে এক ৰাজহুৱা মঞ্চত ১ ১ নভেম্বৰ ২০১৩ তাৰিখে “পৰিচয় আৰু নাগৰিকত্ব”শীৰ্ষক ভাষণ পাঠ কৰিব ।

নতুন দিল্লী

২৪ অক্তোবৰ ২০১৩